**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-08-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ আহমেদাবাদত থলুৱাভাৱে উৎপাদিত হাইব্ৰীড বেটেৰী ইলেকট্ৰডছ্ আৰু ১০০ খন দেশলৈ বেটাৰীচালিত বাহনৰ ৰপ্তানি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে চৰকাৰে দেশৰ কৃষকসকলৰ কল্যাণ তথা স্বাৰ্থত অগ্ৰাধিকাৰ প্ৰদান কৰি আমেৰিকাৰ পৰা কৃষিজাত সামগ্ৰী আমদানি কৰাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিছে।

৩। ৰোহিংগীয়া মুছলমান লোকসকলৰ ন্যায়, প্ৰত্যাৱৰ্তন তথা স্থিৰতা সুনিশ্চিত কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাংলাদেশে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাইছে।

৪। চৰকাৰে জনজাতি নেতা বীৰচা মুণ্ডা আৰু চৰ্দাৰ বল্লৱভাই পেটেলৰ ১৫০ বছৰীয়া জয়ন্তীৰ লগতে অটল বিহাৰী বাজপেয়ী জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্দেশ্যে তিনিখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছে। *আৰু*

৫। কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই কালি নতুন দিল্লীত চলিত বৰ্ষৰ পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ট্ৰফী উন্মোচন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ আহমেদাবাদৰ সমীপৰ হঞ্চলপুৰত থলুৱাভাৱে উৎপাদিত হাইব্ৰীড বেটেৰী ইলেকট্ৰডছ্ আৰু ১০০ খন দেশলৈ বেটাৰীচালিত বাহনৰ ৰপ্তানি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। মেক ইন ইণ্ডিয়া উদ্যমৰ সাফল্যৰ চিন স্বৰূপে প্ৰধানমন্ত্ৰীয়ে ভাৰতত নিৰ্মিত ছুজুকীৰ প্ৰথম কৌশলগত বেটেৰী বৈদ্যুতিক বাহনৰ পতাকা জোকাৰি উদ্বোধন কৰিব। এই বাহনসমূহ ইউৰোপ আৰু জাপানকে ধৰি বিশ্বৰ ১০০ দেশলৈ ৰপ্তানি কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে থলুৱাভাৱে উৎপাদিত হাইব্ৰীড বেটেৰী ইলেকট্ৰডছ্ আৰু ভাৰতৰ বেটেৰী পৰিৱেশতন্ত্ৰ দ্বিতীয় পৰ্যায়ৰো শুভাৰম্ভ কৰিব। ইয়াৰ জৰিয়তে দেশৰ ঘৰুৱা নিৰ্মাণ ক্ষেত্ৰ অধিক উন্নয়নৰ দিশে আগবঢ়াৰ লগতে নিকা শক্তি প্ৰযুক্তি খণ্ডত ন-ন উদ্ভাৱনৰ অন্বেষণ হ'ব। ইয়াৰ পূৰ্বে কালি শ্ৰীমোদীয়ে আহমেদাবাদত ৫ হাজাৰ ৪০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত শ্ৰীমোদীয়ে এখন বিশাল জনসভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি তেওঁ কৃষক আৰু ক্ষুদ্ৰ উদ্যোগীসকলৰ স্বাৰ্থ দেশৰ সৰ্বাধিক গুৰুত্বৰ বিষয় বুলি মন্তব্য কৰে। যিকোনো ধৰণৰ হেঁচা তথা পৰিস্থিতিৰ মাজতো ইয়াৰ সৈতে জড়িত লোকসকলৰ কোনোধৰণৰ ক্ষতি হ'বলৈ দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। সমাজৰ সকলো শ্ৰেণীৰ লোককে সন্মান সহকাৰে জীয়াই থকাৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে কয়, যে চহৰাঞ্চলৰ দৰিদ্ৰ লোকসকলৰ জীৱন সুচল কৰি তোলাটো চৰকাৰৰ সৰ্বাধিক গুৰুত্বৰ বিষয়। ভাৰতৰ পৰিৱৰ্তনৰ যাত্ৰাৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে

দেশে স্ব-নিৰ্ভৰশীলতাৰে বিকাশৰ দিশে আগবাঢ়ি গৈছে। ২০৪৭ চনৰ ভিতৰত ভাৰত এখন উন্নত ৰাষ্ট্ৰত পৰিণত হ'ব বুলিও তেওঁ বিশ্বাস ব্যক্ত কৰে। আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰে অনুপ্ৰাণিত হৈ তেওঁ দেশৰ নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনোৱাৰ লগতে সামগ্ৰীসমূহৰ মান উন্নত কৰাৰ বাবেও উৎপাদনকাৰীসকলক আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে চৰকাৰে দেশৰ কৃষকসকলৰ কল্যাণ তথা স্বাৰ্থত অগ্ৰাধিকাৰ প্ৰদান কৰি আমেৰিকাৰ পৰা কৃষিজাত সামগ্ৰী আমদানি কৰাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিছে। ভূপালত কালি ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান- IISERৰ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ভাৰত সম্পূৰ্ণ আত্মবিশ্বাসী আৰু দেশৰ জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে কোনোধৰণৰ আপোচ নকৰে। দেশৰ কৃষক আৰু মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলৰ স্বাৰ্থ বিৰোধী কোনোধৰণৰ চুক্তিত চৰকাৰে স্বাক্ষৰ নকৰে বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। শ্ৰীচৌহানে দৈনন্দিন ব্যৱহাৰৰ বাবে থলুৱাভাৱে উৎপাদিত সামগ্ৰীত অগ্ৰাধিকাৰ দিবলৈ ১৪৪ কোটি জনতাৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ বিষয়েও উল্লেখ কৰে।

ooooo

বলপূৰ্বকভাৱে স্থানান্তৰিত হোৱা ৰোহিংগীয়া মুছলমান লোকসকলৰ ন্যায়, প্ৰত্যাৱৰ্তন তথা স্থিৰতা সুনিশ্চিত কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাংলাদেশে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাইছে। এই সমস্যাৰ সমাধানৰ বাবে বিশ্ব সম্প্ৰদায়ৰ সমৰ্থন বিচাৰি বাংলাদেশৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে কয়, যে আমি আমাৰ সীমিত ঘৰুৱা সম্পদসমূহৰ বাবে অতিৰিক্ত সম্পদ আহৰণ কৰাৰ কোনো প্ৰয়োজন নাই। ৰোহিংগীয়া সমস্যা সমাধানৰ বিষয়টো গোলকীয় কাৰ্যসূচীৰ বিষয় হোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে এই সমস্যাৰ সমাধান কৰাটো কেৱল বাংলাদেশৰে দায়িত্ব নহয় বৰং ই আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰো এটা বিশেষ দায়িত্ব। ৰোহিংগীয়া সকলৰ শেহতীয়া স্থিতি সন্দৰ্ভত আয়োজিত তিনিদিনীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি শ্ৰীইউনুছে এই বিষয়ে প্ৰকাশ কৰে। ৰোহিংগীয়া সকলৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান সূত্ৰ অন্বেষণৰ বাবে বিশ্বৰ অংশীদাৰসকলক জড়িত কৰাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। শ্ৰীইউনুছে কয়, যে মানৱীয়তাৰ খাতিৰত সীমিত সম্পদ থকা স্বত্বেও ৰোহিংগীয়া সকলৰ জীৱন ৰক্ষাৰ বাবেই বাংলাদেশে ইয়াৰ সীমান্ত মুকলি কৰি দিছে। বৰ্তমান সময়ত ম্যানমাৰৰ পৰা বিতাড়িত ১৩ লাখ ৰোহিংগীয়া লোক বাংলাদেশৰ বিভিন্ন শিবিৰত আশ্ৰয় লৈ আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

ooooo

চৰকাৰে জনজাতি নেতা বীৰচা মুণ্ডা আৰু চৰ্দাৰ ভল্লৱভাই পেটেলৰ ১৫০ বছৰীয়া জয়ন্তীৰ লগতে অটল বিহাৰী বাজপেয়ী জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্দেশ্যে তিনিখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছে। কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই তিনিওখন সমিতিৰে অধ্যক্ষ হিচাপে থাকিব। সমিতিকেইখনে দেশৰ বিভিন্ন প্ৰান্তত এই কাৰ্যসূচী উদযাপনৰ উদ্দেশ্যে বিভিন্ন কাম-কাজৰ তদাৰক কৰিব।

ooooo

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ অধীনত ভোটদাতাৰ যিকোনো ওজৰ-আপত্তি আৰু দাবীৰ নিষ্পত্তি কৰিবলৈ ৭ দিন বাকী থকা অৱস্থাত এইপৰ্যন্ত ৯৯ দশমিক ১১ শতাংশ নথিপত্ৰ লাভ কৰা গৈছে বুলি দেশৰ নিৰ্বাচন আয়োগে ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা অনুসৰি দৈনিক ১ দশমিক ৬-৪ শতাংশ নথি লাভ কৰিছে। ওজৰ-আপত্তি নিষ্পত্তিৰ অন্তিম সময়সীমা পহিলা ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। এতিয়ালৈকে মাত্ৰ দশমিক ৮-৯ শতাংশ ভোটদাতাহে তেওঁলোকৰ নথিসমূহ দাখিল কৰিবলৈ বাকী আছে বুলি আয়োগে প্ৰকাশ কৰিছে।

ooooo

নাগালেণ্ডৰ স্বাস্থ্য সম্পৰ্কীয় ধ্বজাবাহী পদক্ষেপ মুখ্যমন্ত্ৰী স্বাস্থ্য বীমা আঁচনিক সাৰ্বজনীন স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত সৰ্বাংগীন আৰু উদ্ভাৱনীমূলক পদ্ধতিৰ বাবে স্বাস্থ্য খণ্ডত চি আই পি এছ উদ্ভাৱন বঁটা ২০২৪ প্ৰদান কৰা হৈছে। চলিত মাহৰ ২২ তাৰিখে শ্ৰীনগৰত অনুষ্ঠিত এটা অনুষ্ঠানত জম্মু কাশ্মীৰৰ উপ- ৰাজ্যপাল মনোজ সিনহাই এই বঁটা প্ৰদান কৰে। নাগালেণ্ড হেল্থ প্ৰটেকচন চ'চাইটিৰ হৈ এই বঁটা গ্ৰহণ কৰে সংস্থাটোৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ লংকুমেৰ আৰু উপ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ ইংনেই কংগিয়াকে। সুলভ তথা ন্যায্য স্বাস্থ্যসেৱা নিশ্চিত কৰিবলৈ চি এম আই এইছ এ ডিজিটেল নামভৰ্তি, নগদবিহীন আৰু জৰুৰীকালীন সেৱা প্ৰদান কৰে। এই আঁচনিখন সফল কৰি তোলাৰ ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে সকলো নাগৰিক আৰু অংশীদাৰ সকলক নাগালেণ্ড স্বাস্থ্য সুৰক্ষা সমাজে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ooooo

দক্ষিণ গাজাৰ এখন চিকিৎসালয়ত কালি নিহত হোৱা বিশজন লোকৰ ভিতৰত পাঁচজন সাংবাদিকো আছে বুলি গাজাৰ বিষয়াসকলে জনাইছে। গাজা চহৰৰ আল শ্বিফা হাস্পতালৰ সমীপত ইজৰাইলৰ লক্ষ্যভিত্তিক আক্ৰমণত ছজন সাংবাদিক নিহত হোৱাৰ দুসপ্তাহ পাছত এই কথা প্ৰকাশ পাইছে। সংবাদ মাধ্যমৰ লোকসকলৰ বাবে ইজৰাইল- হামাছ এক অন্যতম ৰক্তাক্ত সংঘাটলৈ ৰূপান্তৰিত হৈছে। ২২ মাহ জুৰি চলা এই সংঘাতত গাজাত মুঠ ১৯২ জন সাংবাদিক নিহত হোৱা বুলি ইতিমধ্যে চৰকাৰী তথ্যই প্ৰকাশ কৰিছে। ইপিনে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানয়াহু এ শেহতীয়া ঘটনাটোক মৰ্মান্তিক দুৰ্ঘটনা বুলি অভিহিত কৰি কয় যে দেশখনে সাংবাদিক আৰু চিকিৎসা কৰ্মীসকলৰ কামক মূল্য দিয়ে। ইজৰাইলৰ সামৰিক অভিযান হামাছৰ প্ৰতিহে নিৰ্দেশিত,সাধাৰণ নাগৰিকৰ প্ৰতি নহয় বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে নতুনকৈ প্ৰৱৰ্তন কৰা একত্ৰিত পেঞ্চন আঁচনি- UPSৰ পৰা ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা- NPSত অন্তৰ্ভুক্তিৰ যাবলৈ- **ৱান টাইম ৱান ৰে** বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰী অধিসূচনা অনুসৰি UPSৰ অন্তৰ্গত কৰ্মচাৰীসকলৰ চুপাৰ এনুৱেচনৰ এবছৰ আগলৈকে অথবা স্বেচ্ছামূলক অৱসৰৰ তিনিমাহ আগলৈকে এই সুবিধা উলবব্ধ হ'ব। চাকৰিৰ পৰা বৰ্খাস্ত,অপসাৰণ বা অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হোৱা কৰ্মচাৰীসকল এই সুবিধাৰ বাবে যোগ্য নহ'ব। এবাৰ এই সুবিধা গ্ৰহণ কৰাৰ পাছত কৰ্মচাৰীসকলে নিশ্চিত পে আউটকে ধৰি UPSৰ অন্যান্য সুবিধা লাভৰ পৰা বঞ্চিত হ'ব। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ এই পদক্ষেপৰ লক্ষ্য হৈছে পেঞ্চনৰ সুবিধাসমূহ সুশৃংখলিত কৰা আৰু দীৰ্ঘম্যাদী অৱসৰৰ সমাধান হিচাপে NPS ক শক্তিশালী কৰা। উল্লেখযোগ্য যে ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ

কৰ্মচাৰীৰ বাবে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ অধীনত বিকল্প হিচাপে UPS প্ৰৱৰ্তন কৰা হৈছিল। ২০ জুলাইলৈকে কেন্দ্ৰীয় চৰকাৰৰ প্ৰায় ৩১ হাজাৰ পাঁচশজন কৰ্মচাৰীয়ে UPS গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত নামভৰ্তিৰ শেষ তাৰিখ ৩০ চেপ্তেম্বৰ।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কালি নতুন দিল্লীত চলিত বৰ্ষৰ পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ট্ৰফী উন্মোচন কৰে। অহা ২৯ আগষ্টৰ পৰা এই প্ৰতিযোগিতাৰ খেলসমূহ আৰম্ভ হ'ব আৰু ৭ ছেপ্তেম্বৰত ইয়াৰ সামৰণি পৰিব।

০০০০০

সমাপ্ত